**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-06-2026 **Time :** 1100 Hrs.

ৰাজ্যজুৰি আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আবিৰ্ভাৱ তিথি উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জনোৱাৰ লগতে গুৰুজনাকো শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে জ্ঞান, ভক্তি আৰু মানৱতাৰ অমৃত বাণীৰে যুগে যুগে পথ প্ৰদৰ্শন কৰি থকা মহাপুৰুষজনা আমাৰ জাতীয় জীৱনৰ প্ৰেৰণাৰ অমল উৎস।

গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহত নৈমিত্তিক প্ৰসংগৰ লগতে ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হৈছে। শ্ৰীশ্ৰী মাধৱদেৱৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰত এই আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে আয়োজন কৰা হৈছে।

ধুবুৰী জিলাতো আজি শ্ৰীশ্ৰী মাধৱদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। এই উদ্দেশ্যে পুৱাৰেপৰা গোলকগঞ্জৰ ৰামৰাইকুটী সত্ৰত ভালেসংখ্যক লোক সমবেত হৈ বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ সৃষ্টিক স্মৰণ কৰিছে। জিলাখনৰ সাপটগ্ৰামৰ লীলানন্দ পাগলাবাবাৰ আশ্ৰমতো এই মহোৎসৱ অনুষ্ঠিত হৈছে।

০০০০০০০

সমগ্ৰ শিক্ষা অসমে অহা ৯ জুনৰ পৰা তৃতীয়ৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্ৰথম পৰ্যায় অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে অনুষ্ঠিত কৰা এই পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ক্ষেত্ৰত হোৱা অসুবিধা আৰু এইক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহ নিৰ্ধাৰণ কৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০০

দেশৰ চাৰিখন মুখ্য চহৰত ১৯ কিলোগ্ৰাম ওজনৰ ব্যৱসায়িক ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য ৪২ টকাৰ পৰা ৫৩ টকা ৫০ পইচালৈ বৃদ্ধি পাইছে। অৱশ্যে ঘৰুৱা ৰন্ধন গেছৰ মূল্য এতিয়াও অপৰিৱৰ্তিত হৈ আছে। দিল্লীত ব্যৱসায়িক ৰন্ধন গেছৰ মূল্য প্ৰতি চিলিণ্ডাৰত ৩ হাজাৰ ১১৩ টকা ৫০ পইচা হৈছে। একেদৰে মুম্বাইত এনে চিলিণ্ডাৰৰ মূল্য ৩ হাজাৰ ৬৭ টকা ৫০ পইচা, কলকাতাত ৩ হাজাৰ ২৫৫ টকা ৫০ পইচা আৰু চেন্নাইত ৩ হাজাৰ ২৮৩ টকালৈ বৃদ্ধি হৈছে। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত বৰ্ধিত গোলকীয় শক্তি ব্যয়ৰ পৰিপ্ৰেক্ষিতত বাণিজ্যিক চিলিণ্ডাৰৰ দাম বৃদ্ধি পাইছে।

০০০০০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱাল উন্নয়ন খণ্ডৰ ৰমাই কদৈবাম গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ ধৰা পৰিছে। জিলাখনৰ পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ প্ৰতিবেদনৰ ভিত্তিত কদৈবামৰ এজন লোকৰ গাহৰি পাম এলেকাত ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰিছে। জনস্বাস্থ্য আৰু পশুধনৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ

ব্যৱস্থাপনা প্ৰাধিকৰণে অঞ্চলটোত তাৎক্ষণিকভাৱে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিধেষাজ্ঞা জাৰি কৰিছে। এই অনুসৰি সংক্ৰমিত এলেকাৰ পৰা ১ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক সংক্ৰমিত অঞ্চল আৰু ১০ কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক নিৰীক্ষণ অঞ্চল হিচাপে চিহ্নিত কৰা হৈছে। ১ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা সকলো অঞ্চলৰ গাহৰি, গাহৰিৰ মাংস অথবা গাহৰিৰ খাদ্য অনা-নিয়া কৰাত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰা হৈছে। তদুপৰি মৃত গাহৰি বা ইয়াৰ অৱশিষ্ট নদী, বিল, খাল বা আন কোনো জলভাগত নেপেলাবলৈ নিৰ্দেশ দিয়া হৈছে। জিলাখনত অবৈধভাৱে পথৰ কাষত গাহৰি মাংস বিক্ৰী কাৰ্য ৰোধ কৰিবলৈ আৰক্ষী চকীসমূহক কঠোৰ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooooo

মুম্বাইত কালি দেহাৱসান ঘটা ভাৰতীয় সংগীত জগতৰ কিংবদন্তি গায়িকা সুমন কল্যাণপুৰৰ শেষকৃত্য আজি দিনৰ ১২ বজাত মুম্বাইৰ পৰনহংস শ্মশানত সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে প্ৰবাদ প্ৰতীম গায়িকাগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৯ বছৰ। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ বোলছবি গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৩৭ চনৰ ২৮ জানুৱাৰীত বাংলাদেশৰ ঢাকাত জন্মগ্ৰহণ কৰা সুমন কল্যাণপুৰে ১৯৫০ চনৰ মাজভাগত প্ৰথমখন হিন্দী ছবিত গীত গাইছিল। 'আজকল তেড়ে মেৰে প্যাৰ কে চৰ্চে', 'না না কৰকে প্যাৰ' আৰু 'তুমনে পুকাড়া ঔৰ হম চলে আয়ে' আদিকে ধৰি বহু জনপ্ৰিয় হিন্দী গীত গাইছিল। তেওঁ কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে প্ৰায় এশটা গানত কণ্ঠ নিগৰাইছিল। ডং ভূপেন হাজৰিকাৰ পৰিচালনা, প্ৰযোজনা আৰু সংগীতেৰে সজোৱা জনপ্ৰিয় অসমীয়া বোলছবি 'প্ৰতিধ্বনি'ৰ গীতত কণ্ঠ নিগৰোৱাৰ লগতে তেওঁ 'পোনাকণ', 'চিকমিক বিজুলী', 'কাঁচঘৰ', 'নয়নমণি' আদি ছবিৰো নেপথ্য গায়িকা আছিল। 'আকাশৰে নীলাই', 'জীৱন ঘড়ীৰ প্ৰতিটো পল', 'মিলনৰে এই শুভক্ষণ', 'অই অই আকাশ শুব' আদি জনপ্ৰিয় অসমীয়া গীতবোৰেৰে সুমন কল্যাণপুৰে শ্ৰোতাৰ হৃদয় জিনিছিল।

ভালেসংখ্যক বঁটা আৰু সন্মানেৰে বিভূষিতা সুমন কল্যাণপুৰৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে।

ooooooooo

**সমাপ্ত**